লাচিত বৰফুকন জীৱনী (১০০০ শব্দ)

"দেশতকৈ মোমাই ডাঙৰ নহয়" – লাচিত বৰফুকন

লাচিত ফুকন! লাচিত ফুকন! মোৰ-
স্বদেশৰ বীৰ!
দেশৰ কাৰণে জীৱনি এদিন যাচিলা-
নিজৰ শিৰ।
দেশৰ কাৰণে, মুক্তিৰ হকে, অন্যায়-
ৰোধি বীৰ!
নৰ শোণিতেৰে কৰিলা আৰতি দেশৰ-
জয়শ্ৰীৰ।
দেশৰ কাৰণে শুনিলা এদিন মৃত্যুৰ-
আবাহন,
জাতিৰ বুকুত জগাই তুলিলা, দুৰ্মদ
যৌৱন।
পছোৱা বিনাই যায়,
তাৰ আঁৰে আঁৰে করুণ সুৰেৰে কোনে
যেন কয় হায়,
এয়ে সি বিৰাট গড়,
যি চাই এদিন বলিশাল হল অপৰাধী-
মাতুলৰ।'

অসম বুৰঞ্জীৰ পাত লুটিয়াই চালেই দেখা পোৱা অপৰাজেয় ব্যক্তিত্ব, সাহস আৰু সংগ্ৰামৰ এক প্ৰতীক তথা সত্তা হ'ল অসমৰ বীৰ লাচিত বৰফুকন লাচিত বৰফুকনৰ দৃঢ়, নিঃস্বাৰ্থ আৰু দূৰদৰ্শী নেতৃত্বই সোঁৱৰাই থাকে অসমীয়া জাতিৰ প্ৰবল পৰাক্ৰমৰ কথা।
লাচিত বৰফুকনক বাদ দি অসমীয়া জাতিটোৰ সাহস আৰু বীৰত্বৰ কথা কল্পনাই কৰিব নোৱাৰি। লাচিত বৰফুকনৰ সাহস, নেতৃত্বৰ দূৰদৰ্শীতাই অসমীয়াৰ শিহৰণ তোলে। লাচিত বৰফুকন অসমীয়াৰ আবেগ, অহংকাৰ-গৌৰৱ আৰু স্বাভিমান।

<u>জন্ম</u> :- ইতিহাস বিজড়িত পৰাক্ৰমী জাতি আহোম সকলৰ বিখ্যাত মেদ সুমুৰা মন মৈদৰ লান-ফিমা বংশৰ ব্যক্তি হ'ল লাচিত বৰফুকন। স্বাত ৰাজ্য আমাৰি এক ৰাজ কৰা চাওলুং চুকাফাৰ লগতে অসম লৈ আহিছিল লাচিতবৰফুকনৰ পূৰ্ব পুৰুষ।
লাচিত বৰফুকন হ'ল আহোম ৰাজ্যৰ প্ৰথমজন বৰবৰুৱা তথা পাইক প্ৰথাৰ প্ৰৱৰ্তক মোমাই তামুলী বৰবৰুৱাৰ ঔৰসজাত সন্তান। লাচিত বৰফুকনৰ পিতৃ মোমাই তামুলী বৰবৰুৱাৰ আন এটা গুৰুটী আৰু মাতৃৰ নাম নাংশৰী আই-দেউ। লাচিত বৰফুকনৰ জন্ম সম্পৰ্কে সঠিক তথ্য পোৱা নাযায় যদিও তেওঁৰ জন্ম ১৬২২ চনৰ ২৪ নৱেম্বৰ তাৰিখে আহোম ৰাজধানী গড়গাওঁৰ ওচৰে-পাজৰে হৈছিল বুলি জনা যায়।

<u>প্ৰাৰম্ভিক শিক্ষা</u> :- শিশু অৱস্থাৰ পৰাই সততা, কৰ্তব্যনিষ্ঠা আৰু নিয়মানুবৰ্তিতা আদৰ্শবাদিতা আদি গুণৰ অধিকাৰী লাচিত বৰফুকনে নিজৰ ৰাজগৃহতেই আৰম্ভ কৰিছিল প্ৰাৰম্ভিক শিক্ষা।
ৰাজপৰিয়ালত জন্ম গ্ৰহণ কৰা স্বত্বেই সামৰিক আৰু অসামৰিক দুয়োবিধ শিক্ষাই আমুণ্ড কৰিছিল লাচিত বৰফুকনে। উল্লেখ্য যে লাচিতক উন্মুক্ত শিক্ষাৰে দিক্ষিত কৰি তুলিবলৈ তেওঁৰ পিতৃয়ে ঘৰুৱা শিক্ষক নিয়োগ কৰি দিছিল।

শিক্ষা ক্ষেত্ৰত লাচিত বৰফুকন বৰ মনোযোগী আছিল, পিতৃৰ মতেত হিন্দু ধৰ্মনীতি, অৰ্থশাস্ত্ৰ আদিৰ ওপৰিও তেওঁ পিতৃ মোমাই-তামুলী বৰবৰুৱা আহোম ৰাজ্যৰ বৰবৰুৱা পদত অধিষ্ঠিত থকাৰ বাবেই সেই সময়ত আলোচিত হোৱা বিভিন্ন আলোচনা সমূহৰ পৰা লাচিত বৰফুকনে ৰাজনৈতিক, কূটনৈতিক, অৰ্থনৈতিক আৰু সামাজিকে আদি বিষয় সন্দৰ্ভতে জ্ঞান অৰ্জন কৰিবলৈ সক্ষম হৈছিল। সমান্তৰালকৈ অস্ত্ৰচালনাৰ লগতে অন্যান্য সামৰিক শিক্ষাও গ্ৰহণ কৰিছিল।

কৰ্মজীৱন :- অসমৰ ইতিহাসত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা ডুকাঝাৰ লগতে অসমলৈ আহিছিল আদম্য সাহসৰ প্ৰতীক লাচিত বৰফুকন। লাচিত বৰফুকনৰ পিতৃ আহোম ৰাজ্যৰ প্ৰথম বৰবৰুৱা তথা পাইক প্ৰথাৰ প্ৰৱৰ্তক হিচাপে পুত্ৰ লাচিত বৰফুকনক আহোম ৰাজসভাত গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হোৱা নাছিল। ইয়াৰ পৰিৱৰ্তে নিজৰ অধ্যৱসায়, সাহস তথা কষ্টৰ ফলত হে আহোম ৰাজ্যৰ বৰফুকন তথা প্ৰধান সেনাপতিৰ পদত প্ৰতিষ্ঠিত হৈছিল। ইয়াৰ বিপৰীতে লাচিত বৰফুকনে সেইসময়ৰ ৰাজমন্ত্ৰী ডাঙৰীয়া "হাঁচতিধৰা তামুলীৰ পদত নিযুক্ত আছিল। ব্যক্তিগত সহায়কৰ পৰ্যায়ৰ এই পদতে থাকি প্ৰথমবাৰৰ বাবে ৰাজ্যৰ ৰাজনীতিত প্ৰৱেশ কৰিছিল। তেওঁৰ পিতৃ বৰ বৰুৱা থকা কালত- সৰুৰে পৰাই বিভিন্ন ডা-ডাঙৰীয়াসকলৰ সৈতে হোৱা আলোচনাবোৰ প্ৰত্যক্ষ কৰি নানান অভিজ্ঞতা আহৰণ কৰে, মুৰ অৰস্থাত ভৰি দিয়ে ৰজাঘৰত ক্ৰমে ঘোঁৰা বৰুৱা, দোলীয়া বৰুৱা, সিমলুগুৰীয়া ফুকন আদি পদবী লাভ কৰিছিল।

লাচিত বৰফুকন, দোলাকাষৰীয়া বৰুৱা পদত অধিষ্ঠিত হৈ থাকোঁতে স্বৰ্গদেউ চক্ৰধ্বজ সিংহই লাচিত বৰফুকনৰ দক্ষতাৰ উমান পাইছিল। যাৰ বাবে চক্ৰধ্বজ সিংহই লাচিত বৰফুকনৰ নিৰ্ভীকতা, সাহসীকতা আৰু আত্মমৰ্যাদাবোধৰ প্ৰমান চাই মৰ্যাদা অনুসৰি আনুষ্ঠানিক ভাৱে আহোম ৰাজ্যৰ "প্ৰধান সেনাপতি আৰু বৰফুকন" পদত নিযুক্ত থাকে।

আলাবৈ ৰণ :- ১৬৬৯ খ্ৰীষ্টাব্দত অসম আক্ৰমণ কৰিবলৈ ৰাম-সিংহৰ নেতৃত্বত মোগল সৈন্যবাহিনী অসমলৈ আগমন ঘটে। গুৰুত্বপূৰ্ণ কথা যে মোঘল সকলৰ লগত ৰণত পাৰিবলৈ সেই সময়ত আহোম সেনা সম্পূৰ্ণ ৰূপে প্ৰস্তুত হোৱা নাছিল, লাচিত বুদ্ধিৰে সম্ভাব্য বিপদৰ সম্মুখীন হ'বলৈ প্ৰস্তুত হৈছিল। ১৬৬৯ খ্ৰীষ্টাব্দত সংঘটিত হৈছিল যুদ্ধ মোঘল আৰু আহোম সকলৰ মাজত সেয়াই আলাবৈ ৰণ, এই যুদ্ধত একে দিনাই আহোমৰ দহ হাজাৰ সৈন্যই প্ৰাণ আহুতি দিছিল কিন্তু এই এই জটিল সময়ত লাচিত বৰফুকন ভাগৰি পৰা বা মানসিক ভাৱে বিচলিত হোৱা নাছিল ধৈৰ্য্য আৰু সাহসৰ পৰিচয় দিছিল।

মোঘলৰ সৈতে যুদ্ধ :- স্বৰ্গদেউ জয়ধ্বজ সিংহৰ ৰাজত্ব কালত ১৬৬২ খ্ৰীষ্টাব্দত মোঘল সম্ৰাট ঔৰংজেবৰ সেনাবাহিনীয়ে মীৰজুমলাৰ নেতৃত্বত অসম আক্ৰমণ কৰি আহোম ৰাজ্যক কৰতলীয়া ৰাজ্য হিচাপে অন্তৰ্ভুক্ত কৰিছিল।

জয়ধ্বজ সিংহই সেই সময়ত অসমৰ স্বাধীনতা ঘুৰাই আনিবলৈ অশেষ পুৰুষাৰ্থ চেষ্টা কৰিছিল যদিও সফল হব পৰা নাছিল। স্বৰ্গদেউ জয়ধ্বজ সিংহৰ মৃত্যুৰ পাছত স্বৰ্গদেউ চক্ৰধ্বজ সিংহই জাতিৰ গৌৰৱ মান উদ্ধাৰ কৰিবৰ বাবে প্ৰচেষ্টা হাতত লৈছিল আৰু এই বাবে এজন যোগ্য সেনাপতিৰ সন্ধান কৰি লাচিত বৰফুকনক সেনাপতি দায়িত্ব অৰ্পন কৰিছিল।

লাচিত বৰফুকনে সেনাপতি দায়িত্ব লৈয়েই দেশৰ সৈন্য সকলক সংগঠিত কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছিল। ইয়াৰ পৰৱৰ্তী ১৬৬৭ খ্ৰীষ্টাব্দত লাচিত বৰফুকনে নেতৃত্ব লৈ গুৱাহাটী উদ্ধাৰৰ প্ৰচেষ্টা চলায় আৰু মোঘলসকলক আক্ৰমণ কৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ দুয়োপাৰেই আহোম সৈন্যই বিজয়-ধ্বজা উৰুৱাই ইটাখুলি আৰু গুৱাহাটী দুৰ্গ ১৬৬৭ খ্ৰীষ্টাব্দত ২ নৱেম্বৰৰ মাজনিশা অধিকাৰ কৰে। এই যুদ্ধত বহু মোঘল সৈন্যৰ মৃত্যু হয়। আনহাতে মিৰজুমলাই ১৬৬২ খ্ৰীষ্টাব্দত বন্দী কৰি নিয়া ভালেমান অসমীয়া সৈন্যক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ১৬৬৯ খ্ৰীষ্টাব্দত আকৌ ৰাম সিংহৰ নেতৃত্বত মোঘল সৈন্যবাহিনী অসমলৈ আগমন ঘটে। ঔৰংজেৱৰ সেনাপতি ৰাম সিংহৰ নেতৃত্বত ১৮,০০০ অশ্বাৰোহী, ৩০,০০০ পদাতিক আৰু ১৫,০০০ কাঢ়ী সৈন্য প্ৰেৰণ কৰিছিল। অন্যহাতে আহোম সেনাপতি লাচিত বৰফুকনে ৰাম সিংহক ভেটা দিবলৈ শৰাইঘাটৰ চাৰিওকাষে কোট নিৰ্মাণ কৰিছিল। এটা ৰাতিৰ ভিতৰত গড় সম্পূৰ্ণ কৰাৰ দায়িত্ব দিছিল নিজা মোমায়েকক একাংশ ব্যক্তিৰ কথিত তথ্য অনুসৰি লাচিতৰ মোমায়েকে নিজৰ কৰ্তব্যত অৱহেলা কৰাত মাৰ বাবে মাজনিশালৈ গড় নিৰ্মাণ সম্পূৰ্ণ হোৱা নাছিল, আধা ৰাতি লাচিত বৰফুকনে গড়ৰ কাম চাবলৈ আহি প্ৰত্যক্ষ কৰে গড়ৰ কাম সম্পূৰ্ণ নোহোৱাত খঙত অগ্নিশৰ্মা হৈ পৰে, দেশৰ সংকটৰ সময়ত কৰ্তব্যত অৱহেলা কৰাৰ বাবে লাচিত বৰফুকনে "দেশতকৈ মোমাই ডাঙৰ নহয়" বুলি মোমায়েকক শিৰচ্ছেদ কৰে আৰু গড়ৰ নিৰ্মাণ কাম সমাধা কৰে।

কিন্তু দুৰ্ভাগ্যবশতঃ আহোম সেনাপতি লাচিত বৰফুকন অসুস্থ আৰু ৰোগাক্ৰান্ত হৈ পৰে তথাপিও দেশৰ স্বাৰ্থত ৰোগীয়া শৰীৰেই মোঘলৰ মুখা-মুখি হবলৈ সাজু হৈছিল। ঔৰংজেৱৰ নিৰ্দেশত ৰামসিংহ আকৌ ১৬৭১ খ্ৰীষ্টাব্দত মাৰ্চ মাহত শৰাইঘাটত মোগল আৰু আহোম সেনাৰ সন্মুখ সমৰত লিপ্ত হৈছিল।

যুগান্তকাৰী শৰাইঘাট ৰণ :- ১৬৭১ খ্ৰীষ্টাব্দৰ মাৰ্চ মাহত মোগল সেনাপতি ৰামসিংহ আহোম সেনাপতি লাচিত বৰফুকনৰ মাজত ইতিহাস প্ৰসিদ্ধ শৰাইঘাটৰ যুদ্ধ হয় এই যুদ্ধত আক্ৰমণকাৰী মোগল সম্পূৰ্ণ ভাৱে পৰাজয় বৰণ কৰে। লাচিত বৰফুকনৰ নেতৃত্ব বহন কৰা এই শৰাইঘাট ৰণ অসমৰ ইতিহাসৰ যুগান্তকাৰী ঘটনা। মহা পৰাক্ৰমী মোগল শক্তিক পৰাভূত কৰা লাচিত বৰফুকনৰ নেতৃত্বই অসম বাসীৰ শৌৰ্য-বীৰ্য তথা সন্মান বিশেষভাৱে বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিলে। নৰীয়া শৰীৰে বুদ্ধিমত্তাৰ উদাহৰণ দাঙি ধৰি লাচিত বৰফুকনে যি দৰে মোগল সৈন্যৰ সৈতে সন্মুখ সমৰত লিপ্ত হ'ল এয়া অতিকৈ প্ৰশংসনীয়। গুৰুত্বপূৰ্ণ ৰণনীতি ক্ষেত্ৰত ব্যাপক ইন্ধন যোগাই গেৰিলা যুদ্ধ পদ্ধতিৰ প্ৰৱৰ্তন লাচিত বৰফুকন প্ৰথম কৰিছিল।

মৃত্যু ঃ নিজৰ বীৰত্ব আৰু সাহস প্ৰদৰ্শন কৰি ১৬৭২ খ্ৰীষ্টাব্দত শৰাইঘাট যুদ্ধত জয় লাভ কৰি কিছুদিন পিছতেই মৃত্যুক সাৱটি লয়, বীৰজনক যোৰহাটৰ হোলোঙাপাৰত সমাধি দিয়া হয়।

আহোম সেনাপতি লাচিত বৰফুকনৰ ~~দিন~~ জন্মৰ দিনটো লাচিত দিৱস হিচাপে প্ৰতি বছৰে পালন কৰা হয়, অসমীয়াৰ তেজত লাচিত বৰফুকনৰ দেশ প্ৰেম- জাতীয়তাবোধ অসমীয়া জাতি জীয়াই থকালৈকে প্ৰবাহিত হৈ ৰব লাচিত বৰফুকন হ'ল অসম তথা অসমীয়াৰ বাবে এক চিৰ সেউজ সত্বা।

এটা ৰাতিতে গড় বান্ধি নৰিয়া গাৰে হেংদাং লৈ মোগলক যেনেদি পিটিয়াবলৈ সমৰ্থ হোৱা লাচিত আজিও প্ৰতিজন অসমীয়াৰ প্ৰাণত শিহৰণ জগাই তোলে।

লাচিত দিৱস উদযাপন :- অসমীয়াৰ স্বাভিমানৰ প্ৰতীক লাচিত বৰফুকন জন্মৰ দিনটোক লাচিত দিৱস হিচাপে পালন কৰা হয়, অসমৰ আহোম সাম্ৰাজ্যৰ লাচিত বৰফুকন আছিল এজনে ফুকনলুং। এই পুৰুষ বীৰ জনক সুঁৱৰি আৰু স্মৰণ কৰি অসমীয়াই শৰাইঘাট ৰণৰ বীৰনায়ক জনলৈ গৌৰৱেৰে শ্ৰদ্ধা জ্ঞাপন কৰে, আৰু লাচিত দিৱস হিচাপে উদযাপন কৰা হয়।

সামৰণি :- লাচিত ফুকনৰ দৰে এজন বীৰৰ ইতিহাসেৰে সমৃদ্ধ অসমীয়া জাতি - অসমীয়াৰ আবেগ-বিবেক লাচিত বৰফুকনৰ বীৰত্ব হ'ল সমগ্ৰ জাতিৰ আদৰ্শ তথা অনুপ্ৰেৰণাৰ উৎস। অসমীয়া সমাজত তেওঁ যুগান্তকাৰী পৰিৱৰ্তন সূচনা কৰিছিল।

অনৰ-অচৰ মোৰ বজ্ৰপাতৰ
অস্তিত্ব আহি-আহি হানিছে
আঘাত
প্ৰতিঘাত পাই
ইতিহাস সিংহ সম যায়
প্ৰতিমুখে অসমীয়া যুঁজাৰুৰ
গৌৰৱ গাথা।

সেৱা —
মোৰ নীলাচল সম
বুকুৰ পৰতে
অস্ত্ৰাঘাত ব্যৰ্থ হ'ল
সাম্ৰাজ্যৰ দম্ভ ধূলিসাৎ
বিজয়ীবাহিনী উৎসাহ।

লক্ষ লক্ষ অসমীয়া নবীনৰ
বক্ষ ৰাৰি ৰাৰি ৰঙা তেজ কলিজাৰ
নিজৰি নিগৰি, বালি মাটিতে
আছে মিলি যাই
বুৰঞ্জী বিচাৰি তই
মোক চা, নিজকে চা
বান্ধি লৈ আহ
শঙ্কা তোলাই দি আগবাঢ়ি আহ

নতুন অসমীয়া যুগে যুগে হবি তই
সাৰাৰ্ঘটীয়া
তোৰ দেশ ৰাখিবলৈ
গাঢ়ি গাঢ়ি লবি তই। চিৰজয়ী হবি তই।

মহম্মদ আফজুৰ ৰহমান
৯নং ওৱাৰ্ড আৰুঙ্গা
আৰ্পাট গ্ৰাম, গৌৰীপুৰ
ধুবুৰী (অসম)
[redacted] ৭০০২৬৮৭৬৯৫ ।